# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 25-03-2026 **Time :** 1100 Hrs.

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ১২৪টা সমষ্টিত কালি মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৭৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। অৱশ্যে, অনুসূচিত জাতিৰ বাবে সংৰক্ষিত বৰপেটা আৰু ঢেকীয়াজুলি সমষ্টিৰ মনোনয়ন পত্ৰৰ পৰীক্ষা আজি দিনৰ ১১ বজালৈ স্থগিত ৰখা হয় বুলি মুখ্য নিৰ্বাচন বিষয়াই সদৰি কৰিছে। সমষ্টি দুটাত মনোনয়ন পত্ৰ সন্দৰ্ভত প্ৰাৰ্থীৰ অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত মুখ্য নিৰ্বাচন বিষয়াই মনোনয়ন পত্ৰৰ পৰীক্ষাৰ সময় বৃদ্ধি কৰিছে।

মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় কাইলৈ বিয়লি ৩ বজা পৰ্যন্ত নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০

———আসন্ন নিৰ্বাচন শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণগতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। **ধুবুৰী** জিলাৰ পাঁচটা বিধানসভা সমষ্টিত গোলকগঞ্জ, গৌৰীপুৰ, ধুবুৰী, বীৰসিং জৰুৱা আৰু বিলাসীপাৰাত ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে প্ৰশাসনে যাৱতীয় ব্যৱস্থা লৈছে। জিলাখনত ১২ লাখ ২০ হাজাৰ ৩৮৪ গৰাকী ভোটদাতা আছে। ভোটগ্ৰহণৰ বাবে এহেজাৰ ৫৪৮ টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ১৮৯ টা নগৰাঞ্চলত তথা এহেজাৰ ৩৫৯ টা গ্ৰামাঞ্চলত। জিলাখনৰ ভোটকেন্দ্ৰসমূহৰ ভিতৰত ২৩১ টা স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰা হৈছে।

**দক্ষিণ শালমাৰা মানকাচৰ** জিলা প্ৰশাসনে নিৰ্বাচনৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। ৯ এপ্ৰিলত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে কালি প্ৰশাসনে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই জিলাখনৰ একমাত্ৰ সমষ্টি মানকাচৰত তিনি লাখ ১১ হাজাৰ ১৫২ গৰাকী ভোটদাতা আছে বুলি উল্লেখ কৰে। জিলাখনত স্থাপন কৰিবলগীয়া ৪০২ টা ভোটকেন্দ্ৰৰ ৫২ টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। সংবাদমেলত জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই জনসাধাৰণে ওজৰ-আপত্তি দৰ্শাব পৰাকৈ হেল্পলাইন নম্বৰ আৰু চি ভিজিল এপ মুকলি কৰা হৈছে বুলি জানিবলৈ দিয়ে।

বাইট

**গোৱালপাৰা** জিলাৰ এহেজাৰ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰৰ নিৰাপত্তা ব্যৱস্থা সুনিশ্চিত কৰি ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাই আছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ৭২ টা অসম-মেঘালয় সীমান্তত আৰু ৪৮ টা চৰ অঞ্চলত অৱস্থিত। জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ নিৰ্দেশমৰ্মে সীমান্ত আৰু চৰ অঞ্চলসমূহত নিৰাপত্তাৰ ক্ষেত্ৰত বিশেষ দৃষ্টি ৰখা হৈছে।

০০০০০০০

নিৰ্বাচনী আচৰণবিধি বলৱৎ হোৱাৰ সময়ৰে পৰা নিৰীক্ষণকাৰী দলসমূহে ৰাজ্যৰ বিভিন্ন প্ৰান্তত তালাচী চলাই ভালেসংখ্যক আপত্তিজনক সামগ্ৰী আৰু নগদ ধন জব্দ কৰিছে। কামৰূপ জিলাৰ আমিনগাঁৱত

বিশেষ কৰ্মবাহিনী আৰু কামৰূপ আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ হেৰ'ইন জব্দ কৰে। এই নিচাযুক্ত সামগ্ৰীখিনিৰ বজাৰ মূল্য প্ৰায় তিনি কোটি টকা হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। মণিপুৰৰ চূড়াচান্দপুৰৰ পৰা নামনি অসমলৈ এই হেৰ'ইন সৰবৰাহ কৰাৰ চেষ্টা কৰা হৈছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষীয়ে দুজন সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰিছে।

গুৱাহাটীৰ খানাপাৰাত ফ্লায়িং স্কোৱাদ আৰু দিছপুৰ আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই কালি এখন বিলাসী বাহনৰ পৰা নগদ ৬ লাখ টকা জব্দ কৰে। অভিযানকাৰী দলটোৱে ধন সৰবৰাহ কৰাৰ অভিযোগত ৰৌণক হালকা নামৰ লোক এজনক আটক কৰে।

ইপিনে, ভাৰত-ভূটান সীমান্তৰ সুৰক্ষাৰ দায়িত্বত নিয়োজিত বৰমাৰ এছ এছ বিৰ ৬৪ নম্বৰ বাহিনীৰ জোৱানসকলে কালি গোপন সূত্ৰৰ পম খেদি অভিযান চলাই বুজন পৰিমাণৰ পেট্ৰ'ল জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। তামুলপুৰ জিলাৰ পাগলাদিয়া নৈৰ সমীপৰ ঝাৰবস্তি গাঁৱত একাংশ লোকে ভূটানৰ পৰা অবৈধভাৱে ইন্ধন সৰবৰাহ কৰাৰ তথ্য লাভ কৰি বাণিজ্য চলোৱাৰ অভিযানত কমেও ৪৪০ লিটাৰ পেট্ৰ'ল জব্দ কৰা হয়। এই সন্দৰ্ভত আব্দুল আলী নামৰ লোকজনক আটক কৰি ৰঙিয়াৰ শুল্ক বিভাগৰ কাৰ্যালয়ত গতাই দিয়া হৈছে।

০০০০০০০

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য সংকটৰ জোৰা মৰাৰ বাবে আলোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে। বিয়লি পাঁচ বজাত হ'বলগীয়া এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰাৰ সম্ভাৱনা আছে। এই বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰো উপস্থিত থকাৰ কথা। উল্লেখযোগ্য যে মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে আহ্বান জনাইছে। ৰাজ্যসভাত কালি দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে।

ইপিনে, যুদ্ধৰ নেতিবাচক প্ৰভাৱৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি জোৰা মৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সাতখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিছে। এই সমিতিয়ে ইন্ধনৰ সংকটৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ নিৰবচ্ছিন্ন সৰবৰাহৰ ব্যৱস্থা কৰিব। উল্লেখযোগ্য যে কালি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই যুদ্ধৰ ফলত সৃষ্টি হোৱা সংকট সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনা কৰে।

০০০০০০০

**সমাপ্ত**